**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 17-04-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ ডিফুত প্ৰায় ১০০ কোটি টকা ব্যয় সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত কেইবাটাও পথ উন্নয়ন আৰু দলং নিৰ্মাণ প্ৰকল্প অন্যতম। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ডিফুত প্ৰথমগৰাকী কাৰ্বি ৰজা আৰু ৰাণী ৰেংবংহ'মৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে পাহাৰীয়া জিলাখনলৈ যোৱা মুখ্যমন্ত্ৰী শৰ্মাই আজি জিলাখনৰ লৰেন্যু ৰেঙমা গাঁও সমিতিৰ সভাপতি আৰু গাঁও প্ৰধানক সাক্ষাৎ কৰি উন্নয়ন আৰু সৰ্বাংগীন বিকাশৰ লগতে ৰেঙমা সম্প্ৰদায় সন্দৰ্ভতো আলোচনা কৰে। ইয়াৰ পূৰ্বে তেওঁ ডিফুৰ তাৰালাংছ'ৰ কাজিৰ ৰংহাংপী অতিথিশালাত অসমৰ ভৈয়মৰ কাৰ্বি সংগঠনসমূহৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত অঞ্চলটোত সামগ্ৰিক উন্নয়ন আৰু স্থায়ী শান্তিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰি কাৰ্বি জনগোষ্ঠীৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। ড০ শৰ্মাই তাৰালাংচুত জিলাখনৰ পূৰ্বৰ সশস্ত্ৰ সংগঠন পি ডি চি কে, কে এল এন এল এফ, কে পি এল টি ডি, কে পি এল টি আৰ, কে পি এল টি এম আৰু ইউ পি এল এৰ প্ৰাক্তন সদস্যসকলৰ সৈতেও বৈঠকত মিলিত হয়। এই সংগঠনসমূহে ২০২১ চনত কেন্দ্ৰীয় চৰকাৰৰ সৈতে ঐতিহাসিক শান্তি চুক্তিত স্বাক্ষৰ কৰিছিল। মুখ্যমন্ত্ৰীয়ে সংগঠন কেইটাৰ প্ৰাক্তন সদস্যসকলৰ পুনৰ সংস্থাপনৰ বাবে ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি উল্লেখ কৰে।

০০০০০০০

সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কম্পাৰ্টমেণ্টেল পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অৱশ্যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত যিসকল পৰিক্ষাৰ্থীয়ে ন্যূনতম তিনিটা বিষয়ত অনুত্তীৰ্ণ হৈছে আৰু অন্ততঃ মুঠ ১৭০ নম্বৰ লাভ কৰিছে সেইসকল পৰিক্ষাৰ্থীয়েহে এই কম্পাৰ্টমেণ্টেল পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। এই সন্দৰ্ভত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ১ নম্বৰ সংমণ্ডলৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি অৱতীৰ্ণ হোৱা পৰিক্ষাৰ্থীসকলে উত্তীৰ্ণ হোৱাৰ বাবে ন্যূনতম ৩০ শতাংশ নম্বৰ লাভ কৰাৰ লগতে সৰ্বমুঠ ১৮০ বা ততোধিক নম্বৰ পাব লাগিব। কম্পাৰ্টমেণ্টেল পৰীক্ষাত উত্তীৰ্ণ সকলো শিক্ষাৰ্থীয়ে চলিত শিক্ষা বৰ্ষতে নামভৰ্তি কৰিব পাৰিব। নিৰ্দেশনাটোত উল্লেখ কৰা অনুযায়ী এই পৰীক্ষাৰ সময়সূচী পৰৱৰ্তী পৰ্যায়ত ঘোষণা কৰা হ'ব। প্ৰতিটো বিষয়ৰ বাবে পৰিক্ষাৰ্থীসকলে ৫০০ টকাকৈ বেংক চালান ষ্টেট বেংক অৱ ইণ্ডিয়াৰ জৰিয়তে আদায় দিয়াৰ লগতে ১৫০ টকাকৈ কেন্দ্ৰ মাচুল পৰিশোধ কৰিব লাগিব। উল্লেখযোগ্য যে এই পৰীক্ষা থিয়ৰী কাকতৰ ক্ষেত্ৰতহে অনুষ্ঠিত হ'ব। পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে পৰীক্ষা কেন্দ্ৰৰ তালিকা পৰ্টেলত উপলব্ধ হ'ব বুলি পৰিষদে নিৰ্দেশনাটোত উল্লেখ কৰিছে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ নামভৰ্তিৰ বাবে আজিৰে পৰা ২৪ এপ্ৰিললৈ দৰ্পণ নামভৰ্তি প'ৰ্টেল মুকলি কৰিছ। পৰিষদৰ সংমণ্ডল ২ৰ সচিবে জাৰি কৰা নিৰ্দেশ অনুসৰি উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বিভিন্ন শিক্ষানুষ্ঠানত নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে www.darpan.ahseconline. in অথবা www.ahsec. assam.gov.in ৰ জৰিয়তে অনলাইন আবেদন দাখিল কৰিব পাৰিব। অনলাইন আবেদন দাখিলৰ পাছত ২৫ৰ পৰা ২৬ এপ্ৰিলৰ ভিতৰত শিক্ষানুষ্ঠানসমূহে যোগ্যতাৰ তালিকা আৰু অপেক্ষাৰত তালিকা প্ৰস্তুত কৰি ২৭ এপ্ৰিলত প্ৰকাশ কৰিব। শিক্ষাৰ্থীসকলে ২৭ৰ পৰা ২৯ এপ্ৰিলৰ ভিতৰত নিৰ্ধাৰিত শিক্ষানুষ্ঠানত নামভৰ্তি কৰিব লাগিব। শিক্ষানুষ্ঠানসমূহে ৩০ৰ পৰা ১০ মে'ৰ ভিতৰত দৰ্পণ প'ৰ্টেলত শিক্ষাৰ্থীসকলৰ নামভৰ্তি নিশ্চিত কৰিব লাগিব। অৱশ্যে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত নামভৰ্তি কৰিব নোৱাৰা শিক্ষাৰ্থীসকলৰ বাবে ১০ মে'ৰ পূৰ্বে পুনৰ ৫ দিনৰ বাবে দৰ্পণ নামভৰ্তি প'ৰ্টেল মুকলি কৰি দিয়া হ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০০০০

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। কিছু সময় পাছতেই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰাৰ্থীসকলে নিৰ্বাচনৰ বাবে প্ৰচাৰ আৰম্ভ কৰিছে। জিলা আয়ুক্তসকলে ভিন ভিন স্থানত স্থাপন হ'বলগীয়া ষ্ট্ৰং ৰূম আৰু গণনা কক্ষৰ স্থান পৰিদৰ্শন কৰাৰ উপৰি নিৰ্বাচনৰ বিভিন্ন দিশ তথা কাম-কাজৰ বুজ লৈছে।

০০০০০০০

চৰকাৰী অথবা প্ৰাদেশীকীকৃত বিদ্যালয়ৰ নামত কোনো ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ নাম পঞ্জীয়ন নকৰিবলৈ কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে সকলো শিক্ষানুষ্ঠানৰ মুৰব্বীলৈ নিৰ্দেশ জাৰি কৰা হৈছে। এই নিয়ম ভংগ কৰা শিক্ষানুষ্ঠানৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হ'ব বুলি পৰিদৰ্শকে প্ৰকাশ কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্চ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

**সমাপ্ত**